**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১।	ৱক্ফ সংশোধনী আইন ২০২৫ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ আজি শুনানী গ্ৰহণ।

২।	ৰঙালী বিহুৰ তৃতীয় দিনা আজি অসমবাসীৰ পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন।

৩।	ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি অব্যাহত। কাইলৈ প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ।

৪।	উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ যাত্ৰীৰ নিৰাপত্তা নিশ্চিতকৰণৰ দিশত বিশেষ সফলতা লাভ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ ১৬ ৰাণত জয়লাভ।	০০০০০

০০০০০

ৱক্ফ সংশোধনী আইন ২০২৫ক প্ৰত্যাহ্বান জনাই অসমৰ লগতে আন কেইবাখনো ৰাজ্যই উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনসমূহৰ শুনানি আজি ন্যায়ালয়ে গ্ৰহণ কৰিব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ পি ভি সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰ বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰাৰ কথা। উল্লেখযোগ্য যে অসমৰ উপৰি ৰাজস্থান, ছত্তিশগড়, উত্তৰাখণ্ড, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ পৰা এই বিষয়টো সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি আবেদন দাখিল কৰা হৈছিল। অসমৰ ৮খন জিলা ষষ্ঠ অনুসূচীৰ অংশ হোৱা হেতুকে এই বিষয়টোৰ প্ৰতি বিশেষ গুৰুত্ব দিবলৈ আবেদনত উল্লেখ কৰা হৈছে।

০০০০০

সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ৰঙালী বিহুৰ তৃতীয় দিনা অসমবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণে  ভিৰ কৰিছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ ল'ব। কামৰূপ জিলাত গোঁসাই বিহু পালন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা কৌশিক দাস-

**ঃ ভইচ ঃ**

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত ধুবুৰী কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিয়ে তিনিদিনীয়াকৈ আয়োজন কৰা বিহু অনুষ্ঠানৰ আজি সামৰণি পৰিব। কালি দ্বিতীয় দিনা অনুষ্ঠিত মুকলি বিহুত বিভিন্ন জনগোষ্ঠীয় লোককৃষ্টি দলৰ লগতে কেইবাটাও বিহু দলে নৃত্য পৰিবেশন কৰে। নগাঁও জিলাৰ কলিয়াবৰতো কালি কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ উদ্যোগত মুকলি বিহু উদযাপন কৰা হয়। শিৱসাগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ আৰু কাৰেংঘৰৰ বাকৰিত কালি উলহ-মালহেৰে বিহু উদযাপন কৰা হয়।

গোৱালপাৰা জিলাৰ ৰাভা বসতিপ্ৰধান অঞ্চলসমূহত উলহ-মালহেৰে ৰঙালী বিহু পালন কৰা হৈছে। ৰামপুৰ বিহু উদযাপন সমিতিয়েও বিস্তৃত কাৰ্যসূচীৰে বিহু পালন কৰিছে। ৰামপুৰৰ বিহুৰ মুখ্য আকৰ্ষণ লেৰা টনা প্ৰতিযোগিতা উপলক্ষে পাহাৰীয়া অঞ্চলৰ বিশেষ গছৰ লতাৰ জৰিয়তে এই লেৰা টনা হয়। দলীয়ভাৱে ককালত টঙালি বান্ধি পুৰুষ-মহিলাসকলে এই প্ৰতিযোগিতাত অংশ লয়।

অসম সাহিত্য সভাই কালি পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে পালন কৰি ৰাজ্যৰ বিভিন্ন স্থানত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। চিৰাং জিলাৰ বিজনী শাখা সাহিত্য সভাৰ উদ্যোগত কালি নিজৰ দিন উপলক্ষে অঞ্চলটোৰ পাঁচগৰাকী কৃতি ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সভাই ২০২৪ বৰ্ষৰ সাহিত্য একাডেমী বঁটা প্ৰাপক অৰণ ৰাজা বসুমতাৰী, বিশিষ্ট শিল্পী, শিক্ষাবিদ মঞ্জু দাস, লেখক বিৰাজ মোহন ৰয়, জ্যেষ্ঠ সাংবাদিক নৃপেন্দ্ৰ নাৰায়ণ দেৱমিশ্ৰ আৰু শিল্পী পেঞ্চনাৰ হৰেণ দাসক বাসগৃহলৈ গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। অসম সাহিত্য সভাৰ উদ্যোগত কালি কামৰূপ জিলা সাহিত্য সভাইও নিজৰ দিন পালন কৰে। এই উপলক্ষে সমাজলৈ বিশিষ্ট অৱদান আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিৰ বাসগৃহলৈ গৈ ওলগনি পত্ৰ আৰু বিহুৱান আগবঢ়োৱা হয়।

তিনিচুকীয়া জিলাৰ মাকুম প্ৰেছ ক্লাবৰ সহযোগত জাৰ্ণেলিষ্ট ইউনিয়ন অব আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে কালি দুগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। তেওঁলোকে সাংবাদিক পেঞ্চনাৰ জিতেন শৰ্মা আৰু ভাস্কৰ্য শিল্পী সুনীল নেওগক বিহুৱান আৰু বিহুবাদ্যৰে সম্বৰ্ধনা জনায়।

ooooo

তিৱা জনগোষ্ঠীৰ লোকসকলৰ ছগ্ৰা উৎসৱ হিচাপে পৰিচিত বসন্ত উৎসৱ কাইলৈৰ পৰা তিনিদিনীয়াকৈ পালন কৰা হ'ব। সুদীৰ্ঘ ২৫ বছৰৰ পাছত এইবেলি মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে ৰাজ্যখনৰ লুম্ফে গাঁৱত এই উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ বাবে গোভা দেওৰজাৰ অনুমতিৰ প্ৰয়োজন হয়। সেই অনুসৰি মেঘালয়ৰ তিৱা জনগোষ্ঠীৰ বিষয়াবৰ্গই পাহাৰীয়া বাটেৰে পদব্ৰজে আহি গোভা দেওৰজা দীপ সিং দেওৰজাৰ অনুমতি লয়। পৰম্পৰা অনুসৰি ছগ্ৰা উৎসৱৰ পাছতেই তিৱা জনগোষ্ঠীয় লোকসকলে ঝুম খেতি আৰম্ভ কৰে। প্ৰায় ২৫ বছৰৰ পাছত এই উৎসৱৰ আয়োজন কৰাক লৈ জনগোষ্ঠীটোৰ লোকসকলৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

ooooo

ৰঙালী বিহুৰ উৎসাহ-উদ্দীপনাৰ মাজতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি চলাই আছে। বিভিন্ন ঠাইত নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে। পঞ্চায়ত নিৰ্বাচনত কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে কাইলৈ বিয়লি ৩ বজাৰ ভিতৰত আবেদন কৰিব পাৰিব। কাইলৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

ৰাজ্যিক নিৰ্বাচন আয়োগে বুথ পৰ্যায়ৰ বিষয়া বি এল অ' সকলক পঞ্চায়ত নিৰ্বাচনত প'লিং বিষয়া হিচাপে নিয়োজিত নকৰিবৰ বাবে ২৭ খন জিলাৰ আয়ুক্তলৈ ইতিমধ্যে আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিছে। জিলা আয়ুক্তসকলক ভোট গ্ৰহণৰ দায়িত্বত নিয়োজিত কৰিবলগীয়া বিষয়াৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ই-নিৰ্বাচন এপৰ জৰিয়তে গ্ৰহণ কৰা সমিলমিল প্ৰক্ৰিয়াত বি এল অ'সকলক অন্তৰ্ভুক্ত নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাত অস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো লোককে অস্ত্ৰসমূহ জমা দিবলৈও নিৰ্দেশ দিয়া হৈছে। অনুজ্ঞাপত্ৰ থকা অস্ত্ৰসমূহ পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৭ দিনৰ পাছত গৰাকীয়ে সংশ্লিষ্ট থানাৰ পৰা ঘূৰাই ল'ব পাৰিব।

ডিব্ৰুগড় জিলাত এই নিৰ্বাচন স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জিলাখনত ৫ গৰাকী সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰিছে। সাধাৰণ পৰ্যবেক্ষকক নিৰ্বাচন সংক্ৰান্তীয় ওজৰ আপত্তি দাখিলৰ বাবে যোগাযোগৰ নম্বৰো মুকলি কৰা হৈছে। জিলাখনত প্ৰথম পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পৰীক্ষণৰ অন্তত ২২ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে ৫৫ গৰাকী, ৭ খন আঞ্চলিক পঞ্চায়তৰ বাবে ২২১ গৰাকী, ৯৩ খন গাওঁ পঞ্চায়তৰ ৯৩০টা ৱাৰ্ড সদস্যৰ বাবে ২ হেজাৰ ২৯০ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। এই নিৰ্বাচনৰ বাবে জিলাখনত ৫২ গৰাকী চেক্টৰ বিষয়া, আৰু ২২ গৰাকী জনেল বিষয়া নিয়োগ কৰাৰ উপৰি এহেজাৰ ১৬৫ গৰাকী প্ৰিজাইডিং আৰু ৪ হাজাৰ ৬৬০ গৰাকী পোলিং বিষয়া নিয়োগ কৰা হ'ব। মুঠ এহেজাৰ ১৬৫টা ভোটগ্ৰহণ কেন্দ্ৰত হ'বলগীয়া ভোটগ্ৰহণত ৮ লাখ ৭১ হাজাৰ ৯৭৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

**হোজাই** জিলাত এই নিৰ্বাচনক লৈ প্ৰস্তুতি চলি আছে। জিলা আয়ুক্তই প্ৰকাশ কৰা মতে জিলাখনত নিৰ্বাচনৰ বাবে ৪ হাজাৰতকৈ অধিক কৰ্মচাৰী নিয়োগ কৰা হ'ব। ইতিমধ্যে দুজন নিৰ্বাচনী পৰ্যৱেক্ষক নিয়োগ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নলবাৰীত সাংবাদিকৰ আগত এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আশানুৰূপভাবে জয়ী হ'ব বুলি দাবী কৰে।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪ খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই চেণ্ট্ৰেল ইকুইপমেণ্ট আইডেণ্টিটি ৰেজিষ্টাৰ, চি ই আই আৰ পোৰ্টেলৰ সহায়ত হেৰুওৱা মোবাইল ফোন উদ্ধাৰ কৰাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিছে। যোৱা বছৰৰ ২০ এপ্ৰিলৰ পৰা চলিত মাহলৈকে ৫২৮টা মোবাইল ফোনৰ সন্ধান উলিওৱা হয়। এই পদক্ষেপে যাত্ৰীৰ নিৰাপত্তা নিশ্চিতকৰণ আৰু তাৎক্ষণিকভাৱে ৰাজহুৱা সেৱা প্ৰদান কৰাৰ দিশত প্ৰযুক্তিৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰিছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে উল্লেখ কৰা মতে ৰে'লৱে সুৰক্ষা বাহিনী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰচেষ্টাৰে ১০৯টা ফোন উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি মোবাইল ফোন চুৰি বা অবৈধভাৱে ৰখাৰ অভিযোগত ২১জন লোকক কৰায়ত্ত কৰা হৈছে। উদ্ধাৰ হোৱা মোবাইল ফোনসমূহ লোকসকলক ঘূৰাই দিয়া হৈছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে মিজোৰামতো মানৱীয় সৃষ্টিশীলতা আৰু চিন্তা চেতনাক উদযাপন কৰাৰ বাবে বিশ্ব কলা দিৱসৰ আয়োজন কৰা হয়। আইজলৰ ট্ৰেজাৰী স্কুৱাৰত আয়োজিত এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুৱোমাৰ উপৰি ৰাজ্যখনৰ বিশিষ্ট শিল্পীসকল আৰু বহিঃৰাজ্যৰ ভালেসংখ্যক শিল্পী উপস্থিত থাকে। ভাৰত আন্তঃৰাষ্ট্ৰীয় কলা সংস্থা আৰু মিজোৰাম চৰকাৰৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰ এই উৎসৱৰ বিষয় - এ গাৰ্ডেন অব এক্সপ্ৰেছন, কাল্টিভেটিং কমিউনিটী থ্ৰ' আৰ্টে মিজোৰামৰ স্বকীয়তাক গভীৰভাৱে প্ৰতিনিধিত্ব কৰে। অনুষ্ঠানৰ অংশ হিচাপে আয়োজিত মিজোসকলৰ চহকী লোকসংস্কৃতি শীৰ্ষক আলোচনাচক্ৰৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই কাৰ্যসূচীত মিজোসকলৰ ঐতিহ্য আৰু পৰিচয় প্ৰতিফলিত হৈছে। মিজো জনগোষ্ঠীৰ লোকসকলে ঐতিহাসিক কালৰে পৰা বিভিন্ন প্ৰত্যাহ্বান নেওচি লোকসংস্কৃতি আৰু পৰম্পৰা অক্ষুন্ন ৰাখি আহিছে বুলি তেওঁ উল্লেখ কৰে।

**ঃ ৰাইট ঃ**

এই অনুষ্ঠানত ভাৰত আন্তঃৰাষ্ট্ৰীয় কলা সংস্থা, আই এ এ ইণ্ডিয়াৰ সভাপতি মানজ সাহাইও ভাষণ দিয়ে। তেওঁ কয় যে প্ৰসিদ্ধ শিল্পী লিওনাৰ্ড দা ভিঞ্চিৰ জন্মদিন উপলক্ষে ১৫ এপ্ৰিল বিশ্ব কলা দিৱস হিচাপে উদযাপন কৰা হয়। ২০১৮ চনত ভাৰত আই এ এৰ সদস্যভুক্ত হৈছিল। মিজোৰামৰ ঐতিহ্যমণ্ডিত স্থানসমূহক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত সংস্থাটোৱে সহযোগিতা আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত পঞ্জাৱ কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে। চণ্ডীগড়ৰ মহাৰাজা য়াড়াবিন্দ্ৰ সিং আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ১১২ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি কলকাতাই ১৫ অভাৰ আৰু এটা বলত মাত্ৰ ৯৫ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ পঞ্জাৱে ১৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ কৰিবলৈ সমৰ্থ হয়। প্ৰভচিমৰণ সিঙে সৰ্বাধিক ৩০ ৰাণ কৰে। ২০২৫ বৰ্ষৰ আই পি এলৰ এয়া আছিল সৰ্বনিম্ন স্কৰ। ৪টা উইকেট দখল কৰা পঞ্জাৱৰ যুজবেন্দ্ৰ চহলক প্লেয়াৰ অৱ দা মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি নতুন দিল্লীত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসমৰ ঠায়ে ঠায়ে বিজুলী ঢেৰেকনিৰ লগতে ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগত বতাহ বলাৰ আশংকা প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যকেইখনতো এই সময়ছোৱাত বিজুলী ঢেৰেকনিৰ লগতে ঘণ্টাত ৩০ৰ ৪০ কিলোমিটাৰ বেগত বতাহ বলাৰ আশংকা কৰা হৈছে। অসম আৰু মিজোৰামৰ বহু ঠাইত তথা অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠায়ে ঠায়ে পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত